# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ১৯ দিন ধৰি চলিবলগীয়া অধিবেশনৰ সময়ছোৱাত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি বিশ্ব এইডছ্ দিৱসৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ নেতৃত্ব দিব।

৩। নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজি ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ আৰম্ভ হ'ব।

৪। তামিলনাডুৰ শিৱগংগা জিলাৰ কুম্মানগুড়িত কালি দুখন বাছৰ মুখামুখি সংঘৰ্ষৰ ফলত ১১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪ জন লোক আহত হয়। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১৭ ৰানত পৰাস্ত কৰে।

ooooo

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ১৯ দিন ধৰি চলিবলগীয়া অধিবেশনৰ সময়ছোৱাত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব। সংসদৰ শীতকালীন অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ সংশোধনী বিধেয়ক, পাৰমাণৱিক শক্তি বিধেয়ক, কৰ্প'ৰেট আইন সংশোধনী বিধেয়ক, বীমা আইন সংশোধনী বিধেয়ক আৰু ভাৰতৰ উচ্চ শিক্ষা আয়োগ বিধেয়ক ২০২৫ আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত কেন্দ্ৰীয় শুল্ক সংশোধনী বিধেয়ক দাখিল কৰিব। তদুপৰি অধিবেশনত ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰথম পৰ্যায়ৰ অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান কৰা হ'ব।

ইয়াৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াতো সুনিশ্চিত কৰাৰ বাবে এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৩৬টা ৰাজনৈতিক দলৰ ৫০জন নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ইতিবাচক পৰিবেশত এই বৈঠক অনুষ্ঠিত হয় আৰু চৰকাৰে সংসদৰ শীতকালীন অধিবেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতাকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। এইবাৰৰ অধিবেশনত যিকোনো গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে। বৈঠকত ৰাজ্যসভাৰ সদনৰ নেতা জে পি নাড্ডা, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰীদ্বয় অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগান উপস্থিত থাকে। কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ, ডি এম কেৰ নেতা তিৰুচি শিৱা, টি এম চিৰ নেতা ডেৰেক অ' ব্ৰায়েন, সমাজবাদী পাৰ্টীৰ নেতা ৰাম গোপাল

যাদৱ, জে ডি ইউৰ নেতা সঞ্জয় ঝা, টি ডি পিৰ নেতা লাবু শ্ৰীকৃষ্ণ দেৱাৰায়ালু আৰু শিৱসেনাৰ নেতা নৰেশ মাস্কে এই বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি বিশ্ব এইডছ্ দিৱসৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ নেতৃত্ব দিব। এইচ আই ভি প্ৰতিৰোধৰ লগতে চিকিৎসা, যত্ন আৰু নেতিবাচক মনোভাৱ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত চৰকাৰী নেতা, বিভিন্ন অংশীদাৰ, যুৱ প্ৰতিনিধি, এইচ আই ভিত আক্ৰান্ত লোক আৰু আগশাৰীৰ চিকিৎসা কৰ্মীসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ জৰিয়তে জনস্বাস্থ্যৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপ এইডচ প্ৰতিৰোধ কৰাৰ অৰ্থে দেশৰ একত্ৰিত প্ৰচেষ্টা প্ৰতিফলন কৰা হ'ব। অনুষ্ঠানত ৰাষ্ট্ৰীয় এইডচ নিয়ন্ত্ৰণ সংস্থাৰ সজাগতা অভিযান সংক্ৰান্তিয় এলানি নতুন ভিডিঅ' মুকলি কৰিব। তদুপৰি এইচ আই ভি-ৰ আগতীয়া পৰীক্ষা, চিকিৎসা তথা আত্মবিশ্বাসেৰে জীয়াই থকাক বিষয়বস্তু হিচাপে লৈ এটা বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজি ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ আৰম্ভ হ'ব। নাগালেণ্ডৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱসৰ সৈতে একেলগে আয়োজন কৰা এই ১০ দিনীয়া মহোৎসৱত নগা জনজাতিসকলক একেলগ কৰি ৰাজ্যখনৰ লোক সংগীত, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে। এই মহোৎসৱে এখন গোলকীয় মঞ্চ হিচাপে দেশ-বিদেশৰ পৰ্যটক, সহযোগী তথা শিল্পীসকলক আকৰ্ষণ কৰি আহিছে।

০০০০০

তামিলনাডুৰ শিৱগংগা জিলাৰ কুম্মানগুড়িত কালি দুখন বাছৰ মুখামুখি সংঘৰ্ষৰ ফলত ১১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪ জন লোক আহত হয়। ইয়াৰে এখন বাছ তিৰুপুৰৰ পৰা কাড়াইকুড়ি অভিমুখে গৈ আছিল আৰু আনখন ডিনডিগুল জিলাৰ পৰা কাড়াইকুড়ি অভিমুখে আহি আছিল। তিৰুপট্টুৰ এলেকাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগত সংঘটিত এই দুৰ্ঘটনাৰ পাছতে অঞ্চলটোৰ লোক আৰু সুস্থ অৱস্থাত থকা যাত্ৰীসকলৰ সহযোগত ভগ্ন বাছ দুখনৰ তলত আৱদ্ধ হৈ ৰোৱা ভালেসংখ্যক লোকক উদ্ধাৰ কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই পথ দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি আহত সকলৰ শীঘ্ৰেই আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা জনায়।

০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত সৰস আজীৱিকা খাদ্য মহোৎসৱ উদ্বোধন কৰিব। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দেশৰ ২৫ খন ৰাজ্যৰ প্ৰায় ৩০০ গৰাকী লাখপতি দিদি আৰু আত্মসহায়ক গোটৰ মহিলাই এই খাদ্য মহোৎসৱত অংশগ্ৰহণ কৰিব। মহোৎসৱত স্থাপন কৰা মুঠ ৬২ খন বিপণীৰ ৫০ খনত খাদ্য পৰিৱেশন কৰা হ'ব আৰু ১২ খন ফল-মূলৰ বিপণী থাকিব। এই

মহোৎসৱত অসম, অৰুণাচল প্ৰদেশ, কেৰেলা, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, গোৱা আৰু গুজৰাটকে ধৰি বিভিন্ন ৰাজ্যৰ খাদ্য সামগ্ৰী উপলব্ধ হ'ব।

০০০০০

শ্ৰীলংকাত ডিট্‌ৱা ঘূৰ্ণীবতাহৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৩৪ লৈ বৃদ্ধি পাইছে। দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি এই ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগত এতিয়ালৈকে ৩৭০ জন লোক সন্ধান হৈ আছে। ঘূৰ্ণীবতাহৰ ফলত সৃষ্টি হোৱা বান আৰু ভূমিস্খলন অব্যাহত থকাত বহুকেইখন জিলাৰ সংযোগ বিচ্ছিন্ন হৈ আছে। ভাৰতে **অপাৰেচন সাগৰ বন্ধু**ৰ অধীনত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তোলাৰ লগতে অধিক ক্ষতিগ্ৰস্ত অঞ্চলসমূহত হেলিকপ্টাৰ আৰু এন ডি আৰ এফৰ দল নিয়োগ কৰিছে। ইপিনে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়কে দেশবাসীক  উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। দেশখনৰ বিভিন্ন স্থানত জৰুৰীকালীন আশ্ৰয় শিবিৰ স্থাপনৰ লগতে স্বেচ্ছাসেৱী সকলে খাদ্য, ঔষধ আৰু খোৱাপানী বিতৰণ কৰিছে। শ্ৰীলংকা আৰু ভাৰতৰ বায়ুসেনাই মাভিল অৰু টেংক, কোটমালে আদি অঞ্চলৰ পৰা ২১১ জন লোকক উদ্ধাৰ কৰিছে।

০০০০০

ঘূৰ্ণীবতাহৰ বাবে শ্ৰীলংকাত আবদ্ধ হৈ থকা বহুসংখ্যক ভাৰতীয়ক **অপাৰেচন সাগৰ বন্ধু**ৰ অধীনত ভাৰতীয় বায়ুসেনাই তেওঁলোকৰ বিমানেৰে যোৱানিশা তিৰুৱানন্তপুৰমলৈ লৈ আনে। ঘূৰ্ণীবতাহৰ দুৰ্যোগৰ পাছত শ্ৰীলংকালৈ সাহায্য-সামগ্ৰী যোগান ধৰিবলৈ যোৱা বায়ুসেনাৰ দুখন বিমানেৰে আবদ্ধ ভাৰতীয়সকলক কলম্বোৰ পৰা তিৰুৱানন্তপুৰমলৈ লৈ অহা হয়। তিৰুৱানন্তপুৰমত উপস্থিত হোৱা লোকসকলক ঘৰলৈ উভতি যোৱাৰ বাবে বিশেষ বাছ্‌ সেৱাৰ ব্যৱস্থা কৰা হয়। শ্ৰীলংকাত ভাৰতীয় বায়ুসেনাৰ উদ্ধাৰ অভিযান আজিও অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১৭ ৰানত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ৩৫০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৯ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩২ ৰান কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ মেথিউ ব্ৰীটজকেই সৰ্বাধিক ৭২ ৰান কৰাৰ লগতে মাৰ্কো জেনচনে ৭০ আৰু কৰ্বিন বচে ৬৭ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৪টা উইকেট লাভ কৰাৰ লগতে হৰ্ষিত ৰাণাই ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  বিৰাট কোহলীৰ ১৩৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৪৯ ৰাণ সংগ্ৰহ কৰে। কোহলীয়ে এই শতকৰ সুবাদত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৫২ সংখ্যক শতক অৰ্জন কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ একক ফৰ্মেটত সৰ্বাধিক শতক অৰ্জন কৰাৰ নতুন বিশ্ব অভিলেখ গঢ়ে। অধিনায়ক কে এল ৰাহুলে ৬০ আৰু ৰোহিত শৰ্মাই ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। বিৰাট কোহলীক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ভাৰত বৰ্তমান তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ৰ ব্যৱধানত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত